নিৰ্ভীক, নিৰপেক্ষ

# অসমীয়া খবৰ

গুৱাহাটী আৰু যোৰহাটৰ পৰা একে সময়তে প্ৰকাশিত ❒ যোৰহাট সংস্কৰণ ❒ মুঠ পৃষ্ঠা ১২

ং ঃ ০৩৭৬ —২৩৭১৯৩৪, ০৩৬১-২৪৭৭২৯১/২ দ্বাদশ বছৰ সংখ্যা ২৮১ শনিবাৰ ৮ ভাদ ১৯৪৫ শক ২৬ আগষ্ট ২০২৩ চন ASOMIYA KHABAR JORHAT SATURDAY

## হুইল চেয়াৰত বহি জগত জিনিলে ড° বিদ্যুৎ বিকাশ গগৈয়ে

# চন্দ্ৰযান-৩ ৰ সফলতাৰ পাছতে চৰ্চাত ডিব্ৰুগড়ৰ প্ৰতিবন্ধী যুৱক



ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৫ আগষ্ট ঃ চন্দ্ৰপৃষ্ঠৰ দক্ষিণ মেৰুত চন্দ্ৰযান-৩ য়ে সফল অৱতৰণৰ পাছতে ইতিহাস ৰচিলে ভাৰতে। বিশ্বৰ চুকে-কোণে এতিয়া কেৱল ভাৰতৰ জয়গান। ইছ্ৰ'ৰ এই বৃহৎ জয়যাত্ৰাৰ মাজত আছে অসমৰ কেইবাজনো সন্তান। ইয়াৰ মাজতে চৰ্চিত হৈ আছে ডিব্ৰুগড়ৰ সন্তান বিদ্যুৎ বিকাশ গগৈৰ নাম। শৰীৰৰ প্ৰতিবন্ধকতাকো নেওচি নামৰূপৰ এইজন সফল বিজ্ঞানী জড়িত হৈ আছিল চন্দ্ৰপৃষ্ঠত চন্দ্ৰযান-৩ ৰ সফল অৱতৰণত। এসময়ত এজন সফল চিকিৎসক হোৱাৰ দুৰ্বাৰ হেঁপাহ থকা মেধাৱী ছাত্ৰজন শাৰীৰিক প্ৰতিবন্ধকতাৰ বাবে বিফল হৈ পৰাৰ লগতে শৈক্ষিক জীৱনো আধৰুৱা হোৱাৰ উপক্ৰম হৈছিল। অৱশেষত নিৰ্ধাৰিত সময়তকৈ দুমাহৰ পাছত ডিব্ৰুগড় কানৈ মহাবিদ্যালয়ত অধ্যয়নৰ বাবে নামভৰ্তি কৰিছিল বিদ্যুৎ বিকাশ গগৈ। ছাত্ৰাৱস্থাৰ পৰাই প্ৰচুৰ মেধাসম্পন্ন বিদ্যুৎ বিকাশ গগৈয়ে শাৰীৰিক প্ৰতিবন্ধকতা নেওচি আজি সমগ্ৰ বিশ্বতে চৰ্চিত হৈ পৰাৰ লগতে ডিব্ৰুগড়ৰ উক্ত শিক্ষানুষ্ঠানকো গৌৰৱান্বিত কৰি তুলিলে। ২৩ আগষ্টৰ বিয়লি পৃথিৱীৰ সকলো দেশৰ দৃষ্টি আছিল চন্দ্ৰযান-৩ ৰ ওপৰত। চন্দ্ৰযান-৩ য়ে লগত নিয়া লেণ্ডাৰ বিক্ৰম চন্দ্ৰৰ বুকুত অৱতৰণ কৰাৰ মুহূৰ্তটো আছিল আমাৰ সকলোৰে বাবে চিৰস্মৰণীয়। ভাৰতবৰ্ষৰ মহাকাশ গৱেষণা সংস্থা ইছ্ৰ'ৱে অশেষ কষ্ট আৰু সাধনাৰ বলত পৃথিৱীৰ ইতিহাসত এক সফলতা অৰ্জন কৰিবলৈ সক্ষম হয়। পৃথিৱীৰ ইতিহাসত লিপিবদ্ধ হোৱা এই বিৰল ঘটনাৰ স'তে অসমৰ ৮ জন বিজ্ঞানীও জড়িত হৈ থকাতো প্ৰতিজন অসমীয়াকে গৌৰৱান্বিত কৰিছে। তাৰে এগৰাকী হ'ল ডিব্ৰুগড়ৰ কানৈ মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ আৰু বৰ্তমান ইছ্ৰ'ৰ এগৰাকী সফল বিজ্ঞানী ড° বিদ্যুৎ বিকাশ গগৈ। ড° বিদ্যুৎ বিকাশ গগৈ এজন সাধাৰণ ব্যক্তি নাছিল। তেওঁৰ প্ৰতিভা আছিল অসাধাৰণ। কিন্তু প'লিঅ'সদৃশ শাৰীৰিকভাৱে প্ৰতিবন্ধকতা আছিল প্ৰখ্যাত পদাৰ্থ বিজ্ঞানী ষ্টিফেন হকিঙছৰ দৰেই আজিও তেওঁ হুইল চেয়াৰত বহিয়ে বিজ্ঞানৰ চৰম শিখৰত আৰোহণ কৰা মহাকাশ গৱেষণাৰ স'তে কাম কৰি আছে। ড° বিদ্যুৎ বিকাশ গগৈয়ে ২০০৭ বৰ্ষত কানৈ মহাবিদ্যালয়ৰ পৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক হৈ উত্তীৰ্ণ হৈছিল। তেওঁ সেই সময়ত মেডিকেলৰ নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হৈছিল যদিও কেৱল শাৰীৰিক প্ৰতিবন্ধকতাৰ বাবেই চিকিৎসাশাস্ত্ৰ পঢ়াৰ পৰা মেডিকেল ব'ৰ্ডে বঞ্চিত কৰিছিল। উচ্চ ন্যায়ালয়ৰ কাষ চাপিও হতাশ হৈ পৰিছিল তেওঁ। উচ্চ ন্যায়ালয়ৰ দুৱাৰে দুৱাৰে বহু পলমকৈ কানৈ মহাবিদ্যালয়ত গণিত বিভাগত স্নাতক শ্ৰেণীত ২০০৪ বৰ্ষত নামভৰ্তি কৰাৰ বাবে সুবিধা কৰি দিছিল কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীয়ে। ড° প্ৰিয়দেৱ গোস্বামীয়ে ছাত্ৰজনৰ প্ৰবল মানসিক শক্তিৰ বিষয়ে উল্লেখ কৰি তেতিয়াই ছাত্ৰজনৰ দুচকুত এজন সফল ব্যক্তি হোৱাৰ ছবি দেখিবলৈ পোৱা বুলি কয়। আৰু স্নাতক শ্ৰেণীত নামভৰ্তি কৰাৰ পাছত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই বিভিন্ন ধৰণে শৈক্ষিক দিশত সহযোগিতা কৰি আহিছিল বুলি জানিবলৈ দিয়ে। পৰৱৰ্তী সময়ত ড° বিদ্যুৎ বিকাশ গগৈয়ে আৰু পাছলৈ চাবলগীয়া নহ'ল। বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতক হোৱাৰ উপৰি আই আই টি, গুৱাহাটীত নামভৰ্তি কৰাৰ সুযোগ লাভ কৰি পি এইছ ডি ডিগ্ৰীও লাভ কৰে। কানৈ মহাবিদ্যালয়ত ড° বিদ্যুৎ বিকাশ গগৈ দুটা বছৰে ৱাল মেগাজিনৰ সম্পাদক আছিল। হুইল শ্বেয়াৰত বহিয়েই কলেজত কেৰম খেলিছিল, শিক্ষকসকলৰ স'তে দবা খেলিছিল। অন্যান্য ক্ষেত্ৰতো পিছপৰি থকা নাছিল। প্ৰায়েই কানৈ মহাবিদ্যালয়ৰ শিক্ষাগুৰুসকলৰ সৈতে বিভিন্ন বিষয়ৰ সন্দৰ্ভত বাৰ্তালাপ কৰা আৰু ২৩ আগষ্টত সেই ঐতিহাসিক মুহূৰ্তৰ পাছতো আনন্দৰ ভাগ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু উপাধ্যক্ষ ড° প্ৰিয়দেৱ গোস্বামীৰ সৈতে ফোনেৰে লোৱা বুলি জনায়। গগৈৰ সফলতাত কানৈ মহাবিদ্যালয় পৰিয়াল আনন্দিত আৰু উৎফুল্লিত হৈছে। চিকিৎসা বিজ্ঞানী হোৱাৰ পৰা শৰীৰৰ প্ৰতিবন্ধকতাৰ বাবে বঞ্চিত হোৱা সত্ত্বেও পৃথিৱীৰ বুকুত জিলিকিল ড° বিদ্যুৎ বিকাশ গগৈ। শীঘ্ৰেই মহাবিদ্যালয়ৰ এক অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ ইতিমধ্যে ছাত্ৰজনক নিমন্ত্ৰণ জনোৱাৰ লগতে ছাত্ৰজনো উপস্থিত থকাৰ আশ্বাস প্ৰদান কৰা বুলি অধ্যক্ষ শইকীয়াই জানিবলৈ দিছে। শিক্ষানুষ্ঠানখনৰ ছাত্ৰ-ছাত্ৰী, শিক্ষকসকলো অধিৰ আগ্ৰহেৰে বাট চাই আছে।